# অধ্যায়-১৩

# হস্তান্তৰযোগ্য দলীল
# (NEGOTIABLE INSTRUMENTS)

**পৰিচয়** (INTRODUCTION) ঃ

আধুনিক ব্যৱসায় জগতত বিভিন্ন ধৰণৰ নথিপত্ৰ ব্যৱহাৰ কৰা হয়। কিন্তু, কিছুমান নথিপত্ৰ সাধাৰণতে বাণিজ্যিক লেনদেনত এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিলৈ ধন হস্তান্তৰ কৰিবলৈ ব্যৱহাৰ কৰা হয়। এইবোৰ নথিপত্ৰকে হস্তান্তৰযোগ্য দলীল বুলি কোৱা হয়। আধুনিক ব্যৱসায় জগতত হস্তান্তৰযোগ্য দলীলবোৰৰ যথেষ্ট গুৰুত্ব আছে। এই দলীলবোৰে পৰিশোধ কৰা আৰু ব্যৱসায়িক দায়বদ্ধতা পালন কৰাৰ প্ৰধান আহিলা হিচাপে গুৰুত্ব লাভ কৰিছে।

ভাৰতত হস্তান্তৰযোগ্য দলীল সম্পৰ্কীয় আইন কানুনসমূহ ১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ অন্তৰ্ভূক্ত। প্ৰতিশ্ৰুতি পত্ৰ, বিনিময় পত্ৰ, চেক, লগতে হুণ্ডি (Hundi- থলুৱা ভাষাত বিনিময় পত্ৰ) সম্পৰ্কীয় বিষয়সমূহ এই আইনৰ অধীনত বিচাৰ বিবেচনা কৰা হয়।

১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনখন, ১৮৮২ চনৰ ১ মাৰ্চৰ পৰা বলৱৎ হৈছিল।

## হস্তান্তৰযোগ্য দলীলৰ অৰ্থ
## (MEANING OF NEGOTIABLE INSTRUMENTS)

১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ ১৩ নং ধাৰা অনুসৰি “প্ৰতিশ্ৰুতি পত্ৰ, বিনিময় পত্ৰ বা চেক যি নেকি ইয়াৰ বাহকক বা ইয়াত উল্লেখ থকা নিৰ্দিষ্ট ব্যক্তিক আদায়যোগ্য হয়, সেয়ে হস্তান্তৰযোগ্য দলীল।”

সেয়েহে আইনৰ দ্বাৰা স্বীকৃত হস্তান্তৰযোগ্য দলীলবোৰত (ক) প্ৰতিশ্ৰুতি পত্ৰ (খ) বিনিময় পত্ৰ আৰু (গ) চেক অন্তৰ্ভূক্ত।

ইয়াৰ বাহিৰেও ব্যৱসায় বাণিজ্যত আন কিছুমান দলীলৰ প্ৰচলন আছে যিবোৰ হস্তান্তৰযোগ্য দলীল হিচাপে স্বীকৃতি দিয়া হৈছে। সেইবোৰ হৈছে— (ক) হুন্ডি (Hundi), (খ) অংশ অধিপত্ৰ (Share Warrant), (গ) লভ্যাংশ অধিপত্ৰ (Dividend Warrant), (ঘ) বেংক ড্ৰাফট্ (Bank Draft), (ঙ) বাহক ঋণপত্ৰ (Bearer Debenture), (চ) ৰেলৰ ৰচিদ (Railway Receipts), (ছ) সূত অধিপত্ৰ (Interest Warrant), (জ) ডাক আদেশ (Postal Order), (ঝ) চাকুৰ্লাৰ টোকা (Circular Notes) ইত্যাদি।

সাধাৰণ অৰ্থত, এখন হস্তান্তৰযোগ্য দলীল হৈছে এখন হস্তান্তৰযোগ্য নথি যাক এজন ব্যক্তিৰ পৰা আন এজনলৈ মুক্তভাৱে হস্তান্তৰ কৰিব পাৰি। ইয়াত 'হস্তান্তৰযোগ্য' শব্দটোৰ অৰ্থ হৈছে সমৰ্পণৰ দ্বাৰা হস্তান্তৰযোগ্য আৰু 'দলীল' শব্দটোৰ অৰ্থ হৈছে এক লিখিত নথি (দস্তাবেজ) যাৰ দ্বাৰা কিছুমান ব্যক্তিৰ সপক্ষে অধিকাৰ সৃষ্টি কৰা হয়।

## হস্তান্তৰযোগ্য দলীলৰ বৈশিষ্ট্যসমূহ ঃ
## (FEATURES OF NEGOTIABLE INSTRUMENTS)

হস্তান্তৰযোগ্য দলীলৰ অত্যাৰশ্যকীয় বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'লঃ

১। **মুক্তভাৱে হস্তান্তৰযোগ্য** (Freely transferable) ঃ

দলীলখন কেৱল সমৰ্পণৰ দ্বাৰা বা দলীলখন পৃষ্ঠাংকণ আৰু সমৰ্পণৰ দ্বাৰা হস্তান্তৰযোগ্য দলীলৰ গৰাকীস্বত্ব হস্তান্তৰ কৰিব পাৰি। বাহক দলীল হ'লে ইয়াক কেৱল সমৰ্পণৰ দ্বাৰা হস্তান্তৰ কৰা হয়। আদেশী দলীল হ'লে ইয়াক পৃষ্ঠাংকণ আৰু সমৰ্পণৰ দ্বাৰা হস্তান্তৰ কৰা হয়।

২। **ত্ৰুটি মুক্ত স্বত্ব** (Title free from defects) ঃ

হস্তান্তৰযোগ্য দলীলৰ হস্তান্তৰ গ্ৰহীতাই এটা ভাল স্বত্ব লাভ কৰে যি সকলো ত্ৰুটিৰ পৰা মুক্ত। যদি এজন ব্যক্তিয়ে চুৰি হোৱাৰ পিছত বাহক চেক এখন হস্তান্তৰ কৰে, তেনে চুৰি হোৱা চেকৰ হস্তান্তৰ গ্ৰহীতাই চুৰি হোৱা চেক হ'লেও যথা বিহিত ধাৰক হৈ পৰে। এজন ব্যক্তিয়ে মূল্যৰ বাবে, সৎ বিশ্বাসেৰে আৰু মিয়াদ শেষ হোৱাৰ আগতে (অৰ্থাৎ যথাবিহিত ধাৰক) যদি এখন হস্তান্তৰযোগ্য দলীল গ্ৰহণ কৰে তেনেহ'লে তেনেকুৱা ব্যক্তি এজনে হস্তান্তৰকাৰীতকৈ ভাল স্বত্ব লাভ কৰে।

৩। **গোচৰ ৰুজু কৰাৰ অধিকাৰ** (Right to sue) ঃ

হস্তান্তৰযোগ্য দলীল এখনৰ ধাৰকে তেওঁৰ নিজৰ নামত গোচৰ ৰুজু কৰিব পাৰে আৰু তেওঁ তাত পৰিশোধ কৰিব লগা পক্ষৰ পৰা দলীলত উল্লেখিত পৰিমাণৰ ধন পুনৰুদ্ধাৰ কৰিব পাৰে।

যদি চেক এখন যিটো বেংকৰ ওপৰত লিখা হৈছে (drawee bank) সেই বেংকটোৰ দ্বাৰা অন্যায়ভাৱে অসন্মানিত কৰা হয়, তেনে চেকৰ ধাৰকে যিকোনো পৃষ্ঠাংকণকাৰীৰ বিৰুদ্ধে বা চেকৰ লিখকৰ বিৰুদ্ধে পোনপটীয়াকৈ গোচৰ ৰুজু কৰিব পাৰে।

৪। **হস্তান্তৰৰ জাননীৰ প্ৰয়োজন নাই** (No notice of transfer)ঃ

এখন হস্তান্তৰযোগ্য দলীলৰ হস্তান্তৰকাৰীয়ে হস্তান্তৰগ্ৰহীতালৈ দলীলখন সাধাৰণভাৱেই হস্তান্তৰ কৰিব পাৰে। দলীলখনৰ পৰিশোধ কৰিবলৈ দায়বদ্ধ পক্ষলৈ হস্তান্তৰৰ কোনো জাননী প্ৰেৰণ কৰাৰ প্ৰয়োজন নাই।

৫। **ধাৰণা** (Presumptions) ঃ

এখন হস্তান্তৰযোগ্য দলীল সন্দৰ্ভত ইয়াৰ বিৰুদ্ধে একো প্ৰমাণিত নোহোৱালৈকে তলত উল্লেখ কৰা আইনী ধাৰণাসমূহ অনুসৰণ কৰা হয়। (ধাৰা-১১৮-১১৯)

(ক) প্ৰতিখন হস্তান্তৰযোগ্য দলীল প্ৰতিদানৰ বাবে লিখা, গ্ৰহণ, পৃষ্ঠাংকণ আৰু প্ৰস্তুত বা হস্তান্তৰ কৰা হয়।

(খ) ইয়াত থকা তাৰিখটো হৈছে, সেইটো তাৰিখ যি তাৰিখত হস্তান্তৰযোগ্য দলীলখন প্ৰস্তুত কৰা বা লিখা হয়।

(গ) দলীলখন তৈয়াৰ কৰাৰ পিছত আৰু মিয়াদ শেষ হোৱাৰ আগতে এক যুক্তিসঙ্গত সময়ৰ ভিতৰত গ্ৰহণ কৰা হয়।

(ঘ) দলীলখনৰ প্ৰতিটো হস্তান্তৰ ইয়াৰ মিয়াদ শেষ হোৱাৰ আগতে কৰা হয়।

(ঙ) পৃষ্ঠাংকণবোৰ দলীলখনত যেনেদৰে দেখা যায় সেই একে ক্ৰমত কৰা হৈছিল।

(চ) দলীলখন যথাযথভাৱে স্বাক্ষৰিত আৰু মোহৰ লগোৱা হৈছে।

(ছ) হস্তান্তৰযোগ্য দলীলখনৰ প্ৰতিজন ধাৰকেই যথাবিহিত ধাৰক।

## হস্তান্তৰযোগ্য দলীলৰ প্ৰকাৰ
## (TYPES OF NEGOTIABLE INSTRUMENTS)

হস্তান্তৰযোগ্য দলীলবোৰক বহুলভাৱে দুটা ভাগত শ্ৰেণীবদ্ধ কৰিব পাৰি।

(ক) আইন অনুসৰি হস্তান্তৰযোগ্য দলীল (Negotiable instruments by statutes)

১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইন অনুসৰি তিনিখন দলীল যেনে— প্ৰতিশ্ৰুতি পত্ৰ, বিনিময় পত্ৰ আৰু চেকক হস্তান্তৰযোগ্য দলীল হিচাপে উল্লেখ কৰা হৈছে। সেয়েহে এইবোৰক আইনৰ দ্বাৰা স্বীকৃত হস্তান্তৰযোগ্য দলীল বুলি কোৱা হয়।

(খ) বাণিজ্যৰ ব্যৱহাৰ বা ৰীতি-নীতি অনুসৰি হস্তান্তৰযোগ্য দলীল (Negotiable instruments by usage or custom of trade) ঃ

সম্পত্তি হস্তান্তৰ আইনৰ ১৩৭ নং ধাৰা অনুসৰি দলীলবোৰ বাণিজ্যৰ ৰীতি-নীতিৰ দ্বাৰা হস্তান্তৰ কৰা হ'ব পাৰে আৰু সেইবোৰৰ হস্তান্তৰযোগ্যতা আদালতৰ দ্বাৰা স্বীকৃত হ'ব। এই শ্ৰেণীত অন্তৰ্ভূক্ত দলীলবোৰ হৈছে— হুণ্ডি, অংশ অধিপত্ৰ, লভ্যাংশ অধিপত্ৰ, বেংক ড্ৰাফ্ট্, চাকুৰ্লাৰ (টোকা) নোট, বাহক ঋণপত্ৰ, ৰেলৰ ৰচিদ, সূত অধিপত্ৰ, ডাক আদেশ ইত্যাদি।

আইন অনুসৰি স্বীকৃত হস্তান্তৰযোগ্য দলীলবোৰৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

### **প্ৰতিশ্ৰুতি পত্ৰ** (PROMISSORY NOTE) ঃ

১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ ৪ নং ধাৰা অনুসৰি "প্ৰতিশ্ৰুতি পত্ৰ হৈছে, প্ৰতিশ্ৰুতিদাতাৰ দ্বাৰা স্বাক্ষৰিত এক লিখিত দলীল (কিন্তু বেংক নোট বা চল্তি নোট নহয়), য'ত চৰ্তবিহীনভাৱে সাধনি বা তাৰিখ মতে নিৰ্দিষ্ট পৰিমাণৰ টকা নিৰ্দিষ্ট ব্যক্তিক বা তেওঁৰ হুকুম মতে নতুবা তাৰ বাহকক আদায় দিবলৈ প্ৰতিশ্ৰুতি দিয়া হয়।"

উদাহৰণ ঃ

আলিয়া ভট্টই নিম্নলিখিত শব্দবোৰ লিখি দলীলবোৰ স্বাক্ষৰ কৰে।

(ক) "মই বালিয়াক বা বালিয়াৰ আদেশমতে ৫,০০,০০০ টকা পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিছো।

(খ) প্ৰাপ্ত মূল্যৰ বাবে, চাহিদা অনুসৰি পৰিশোধ কৰিম বুলি মই নিজকে ৫,০০,০০০ টকাত বালিয়াৰ ওচৰত ঋণী বুলি স্বীকাৰ কৰোঁ।

ওপৰত উল্লেখিত দলীলবোৰ হৈছে প্ৰতিশ্ৰুতি পত্ৰ।

কিন্তু নিম্নলিখিত দলীলবোৰ যদি আলিয়া ভট্টই নিম্নলিখিত চৰ্তাৱলীত স্বাক্ষৰ কৰে তেনেহ'লে সেইবোৰ হস্তান্তৰযোগ্য দলীল বুলি বিবেচিত নহয়।

(ক) "শ্ৰীযুত বালিয়া, মই ৫,০০,০০০ টকাত আপোনাৰ ওচৰত ঋণী।"

(খ) "মই বালিয়াক ৫,০০,০০০ টকা আৰু আন সকলো পৰিমাণৰ টকা পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিছো যিবোৰ তেওঁক দিবলগীয়া হ'ব।

(গ) "প্ৰথমে তেওঁ মোক ধন পৰিশোধ কৰিবলগীয়া থাকে যদি সেই ধন কৰ্তন কৰি মই বালিয়াক ৫,০০,০০০ টকা পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিছোঁ।

(ঘ) "কালিয়াৰ সৈতে মোৰ বিবাহৰ সাত দিন পিছত মই বালিয়াক ৫,০০,০০০ টকা পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিছোঁ।"

(ঙ) "মই ডালিয়াৰ মৃত্যুত বালিয়াক ৫,০০,০০০ টকা পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিছো, যদিহে ডালিয়াই মোক সেই পৰিমাণ পৰিশোধ কৰিবলৈ পৰ্য্যাপ্ত পৰিমাণ এৰি দিয়ে।"

(চ) "মই বালিয়াক ৫,০০,০০০ টকা পৰিশোধ কৰাাৰ প্ৰতিশ্ৰুতি দিছো, আৰু অহা জানুৱাৰীৰ ১ তাৰিখে তেওঁক এটা কলা ঘোঁৰা প্ৰদান কৰিম।"

সৰল অৰ্থত এখন প্ৰতিশ্ৰুতি পত্ৰ হৈছে দেনাদাৰৰ দ্বাৰা পাওনাদাৰক এক নিৰ্দিষ্ট সময়ৰ পিছত এক নিৰ্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰাৰ এক লিখিত প্ৰতিশ্ৰুতি। প্ৰতিশ্ৰুতি পত্ৰ সদায় দেনাদাৰে প্ৰস্তুত কৰে। তেওঁক দলীলখনৰ প্ৰস্তুতকাৰক বুলি কোৱা হয়।

প্ৰতিশ্ৰুতি পত্ৰৰ নমুনা (Specimen of a Promissory Note) ঃ

**Rs. 1,000**

Place : Guwahati
Date : January1, 2022

On demand, I promise to pay Mr. Abhigyan or order the sum of Rupees one thousand only for value received.

To
Mr. Abhigyan
5, Asomi Path
M. T. Road, Guwahati.

Revenue stamp
Signature
Alia Bhatta

**প্রতিশ্ৰুতি পত্ৰৰ বৈশিষ্ট্যসমূহ** (Features of a Promissory Note)ঃ

১। **লিখিত দলীল ঃ** প্ৰতিশ্ৰুতি পত্ৰ লিখিত হ'ব লাগিব।

২। **পৰিশোধৰ প্ৰতিশ্ৰুতি ঃ** প্ৰতিশ্ৰুতি পত্ৰত পৰিশোধ কৰাৰ বাবে এক স্পষ্ট প্ৰতিশ্ৰুতি থাকিব লাগিব।

৩। **চৰ্তহীন প্ৰতিশ্ৰুতি ঃ** টকা পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি চৰ্তহীন হব লাগিব। পৰিশোধ অনিশ্চয়তাৰ ওপৰত নিৰ্ভৰ কৰিব নালাগে যিটো হব পাৰে বা নহ'বও পাৰে।

৪। **প্ৰস্তুত কাৰকৰ (লিখকৰ) দ্বাৰা স্বাক্ষৰিত ঃ** প্ৰতিশ্ৰুতি পত্ৰখন প্ৰস্তুতকাৰকে/ লিখকে স্বাক্ষৰ কৰিব লাগিব। এজন নিৰক্ষৰ ব্যক্তিয়ে তেওঁৰ বুঢ়া আঙুলিৰ টিপ চহী দিও প্ৰতিশ্ৰুতি পত্ৰ প্ৰস্তুত কৰিব পাৰে।

৫। **প্ৰাপক নিৰ্দিষ্ট হব লাগিব ঃ** প্ৰতিশ্ৰুতি পত্ৰৰ প্ৰাপকজন নিৰ্দ্দিষ্ট হ'ব লাগিব।

৬। **টকা পৰিশোধৰ প্ৰতিশ্ৰুতি ঃ** প্ৰতিশ্ৰুতি পত্ৰৰ যোগেদি কেৱল টকা পৰিশোধৰ/ আদায় দিয়াৰ প্ৰতিশ্ৰুতিহে দিয়া হয়।

৭। **পৰিমাণ নিশ্চিত হব লাগিব ঃ** প্ৰতিশ্ৰুতি পত্ৰত এক নিৰ্দিষ্ট পৰিমাণৰ বিহিত মুদ্ৰা পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি থাকিব লাগিব।

৮। **সঠিকভাৱে মোহৰ লগোৱা ঃ** আইনৰ প্ৰয়োজন অনুসৰি প্ৰতিশ্ৰুতি পত্ৰত সঠিকভাৱে মোহৰ লগাব লাগিব।

## প্ৰতিশ্ৰুতি পত্ৰৰ পক্ষসমূহ

## (Parties of a promissory note)

১। **প্ৰস্তুতকাৰক/ লিখক** (Maker) ঃ প্ৰস্তুতকাৰক/লিখক হৈছে দেনাদাৰ যি প্ৰতিশ্ৰুতি পত্ৰ প্ৰস্তুত আৰু স্বাক্ষৰ কৰে (এক নিৰ্দিষ্ট সময়ৰ ম্যাদ উকলি যোৱাৰ পিছত এক নিৰ্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে) আৰু যিয়ে পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

২। **প্ৰাপক** (Payee)ঃ প্ৰতিশ্ৰুতি পত্ৰত নাম থকা ব্যক্তিজন, যাক বা যাৰ আদেশমতে টকা পৰিশোধ কৰিব লাগিব তেওঁক প্ৰাপক বুলি কোৱা হয়।

### বিনিময় পত্ৰ (BILL OF EXCHANGE)

১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ ৫ নং ধাৰা অনুসৰি 'প্ৰস্তুতকাৰকৰ দ্বাৰা স্বাক্ষৰিত যি লিখিত দলীলত কোনো এক নিৰ্দিষ্ট ব্যক্তিক নিৰ্দিষ্ট পৰিমাণৰ টকা আন নিৰ্দিষ্ট ব্যক্তি বা তেওঁৰ নিৰ্দেশ

অনুসৰি বা দলীলৰ বাহকক চৰ্তবিহীনভাৱে আদায় দিবলৈ আদেশ দিয়া হয়, তাকে বিনিময় পত্ৰ বোলে।

সহজ ভাষাত, বিনিময় পত্ৰ হৈছে এক নিৰ্দিষ্ট সময়ৰ পিছত, এক নিৰ্দিষ্ট ব্যক্তিক এক নিৰ্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰিবলৈ পাওনাদাৰে দেনাদাৰক দিয়া এক চৰ্তবিহীন আদেশ। সেয়েহে, বিনিময় পত্ৰ সদায় পাওনাদাৰে দেনাদাৰৰ ওপৰত প্ৰস্তুত কৰে।

**বিনিময় পত্ৰৰ নমুনা** (Specimen of a bill of exchange)

Rs. 1,000 | Place : Guwahati
Date : 1st January, 2022

Three months after date, pay to Mr. Avinan or order the sum of Rupees one thousand only for value received.

| | | |
|---|---|---|
| To<br>Mr. Chiranjib<br>5, Asomi Path<br>M. T. Road, Guwahati. | Accepted<br>Chiranjib | Revenue stamp<br>Signature<br>Addis Rabha |

**বিনিময় পত্ৰৰ বৈশিষ্ট্যসমূহ** (Features of Bill of Exchange) ঃ

১। **লিখিত দলীল** (Instrument in writing) ঃ বিনিময় পত্ৰ কেৱল লিখিতভাৱে হ'ব লাগিব। মৌখিকভাৱে বিনিময় পত্ৰ প্ৰস্তুত কৰিব নোৱাৰি।

২। **চৰ্তবিহীন আদেশ** (Unconditional order) ঃ বিনিময় পত্ৰত উল্লেখ কৰা 'আদেশ' চৰ্তবিহীন হ'ব লাগিব। বিলৰ টকা আদায় দিয়া ক্ষেত্ৰত কোনো প্ৰকাৰ চৰ্ত আৰোপ কৰা থাকিব নালাগে।

৩। **প্ৰস্তুতকাৰক আৰু বিলগ্ৰহীতা (স্বীকৃতিদাতা) নিৰ্দিষ্ট ব্যক্তি হব লাগিব** (Drawer and drawee to be certain person) ঃ এজন নিৰ্দিষ্ট ব্যক্তিৰ (প্ৰস্তুতকাৰক) দ্বাৰা সদায়ে এজন নিৰ্দিষ্ট ব্যক্তিৰ (বিলগ্ৰহীতা) ওপৰত বিনিময় পত্ৰ প্ৰস্তুত কৰা হয়। বিনিময় পত্ৰ বিক্ৰেতাই তেওঁৰ গ্ৰাহকৰ ওপৰত প্ৰস্তুত কৰে। সেয়েহে, বিনিময় পত্ৰৰ প্ৰস্তুতকাৰক আৰু বিলগ্ৰহীতা (স্বীকৃতিদাতা) নিৰ্দিষ্ট ব্যক্তি হ'ব লাগিব।

৪। **প্ৰাপক নিৰ্দিষ্ট ব্যক্তি হ'ব লাগিব** (Payee to be certain person) ঃ বিনিময় পত্ৰ এজন নিৰ্দিষ্ট ব্যক্তিক বা তেওঁৰ আদেশমতে (বা বাহকক) প্ৰদেয় হিচাপে প্ৰস্তুত কৰা হয়। সেয়েহে, বিনিময় পত্ৰৰ প্ৰাপকজন নিৰ্দিষ্ট ব্যক্তি।

৫। **প্ৰস্তুতকাৰকৰ/লিখকৰ দ্বাৰা স্বাক্ষৰিত ঃ** (Signed by the maker) ঃ বিলৰ প্ৰস্তুতকাৰকৰ/লিখকৰ দ্বাৰা বিনিময় পত্ৰ এখন যথাযথভাৱে স্বাক্ষৰ কৰিব লাগিব।

৬। **এক নিৰ্দিষ্ট পৰিমাণৰ ধন** (A certain sum of money) ঃ বিনিময় পত্ৰত পৰিশোধ কৰিবলগীয়া ধনৰ পৰিমাণ নিশ্চিতভাৱে উল্লেখ থাকিব লাগিব।

৭। **সঠিকভাৱে মোহৰ লগোৱা** (Properly stamped) ঃ বিনিময় পত্ৰত সঠিকভাৱে ৰাজহ মোহৰ লগাব লাগে।

৮। **চাহিদা অনুসৰি বা এক নিৰ্দিষ্ট তাৰিখৰ পিছত পৰিশোধযোগ্য** (Payable on demand or after a certain date) ঃ বিনিময় পত্ৰ এখন দৃষ্টিগোচৰ হোৱা মাত্ৰকেই (demand bill) বা বিনিময় পত্ৰত উল্লেখিত নিৰ্দিষ্ট মিয়াদ উকলি যোৱাৰ পিছত (time bill) পৰিশোধযোগ্য হব পাৰে।

**বিনিময় পত্ৰৰ পক্ষসমূহ** (Parties to a Bill of Exchange) **ঃ**

১। **প্ৰস্তুতকাৰক/লিখক** (Drawer) **ঃ** বিনিময় পত্ৰৰ লিখক বা প্ৰস্তুত কৰিব পৰা ব্যক্তিজনক প্ৰস্তুতকাৰক/লিখক বুলি কোৱা হয়। বিনিময় পত্ৰৰ প্ৰস্তুতকাৰীজন পাওনাদাৰ।

২। **বিলগ্ৰহীতা/স্বীকৃতিদাতা** (Drawee) **ঃ** যিজন ব্যক্তিৰ ওপৰত বিনিময় পত্ৰ প্ৰস্তুত কৰা হয়, তেওঁক বিলগ্ৰহীতা বা স্বীকৃতিদাতা বুলি কোৱা হয়।

৩। **প্ৰাপক** (Payee) **ঃ** যিজন ব্যক্তিক বিনিময় পত্ৰৰ ধন পৰিশোধ কৰিব লগা হয় তেওঁক প্ৰাপক বুলি কোৱা হয়।

## চেক (**CHEQUE**)

১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ (হস্তান্তৰযোগ্য দলীল সংশোধনী আইন, ২০০২ৰ দ্বাৰা সংশোধন কৰা) ৬ নং ধাৰা অনুসৰি, চেক হৈছে, এক প্ৰকাৰ বিনিময় পত্ৰ যি নেকি কোনো বেংকৰ ওপৰত লিখা হয় আৰু যাক নেকি সাধনি বাদে অন্য প্ৰকাৰে আদায়যোগ্য বুলি প্ৰকাশ কৰা নাথাকে আৰু ইয়াত এখন চেক বৈদ্যুতিন (electronic) ৰূপত আৰু এখন অঙ্গছেদিত (truncated) চেকৰ বৈদ্যুতিন (electronic) ছবি অন্তৰ্ভূক্ত থাকে।”

ব্যৱসায় জগতত চেকৰ গুৰুত্ব অপৰিসীম। বেংকৰ হিচাপৰ ধাৰকসকলে (গ্ৰাহকসকলে) বেংকৰ পৰা ধন উলিয়াবলৈ চেক ব্যৱহাৰ কৰে। তৃতীয় পক্ষক পৰিশোধ কৰিবলৈ ও চেক ব্যৱহাৰ কৰা হয়।

**চেকৰ নমুনা** (Specimen of a cheque) ঃ




**চেকৰ বৈশিষ্ট্যসমূহ** (Features of a cheque) ঃ

১। **লিখিত দলীল** (Instrument in writting) ঃ বেংকাৰে প্ৰদান কৰা নিৰ্দিষ্ট ৰূপত চেক এখন লিখিত হব লাগিব।

২। **চৰ্তবিহীন আদেশ** (Unconditional order) ঃ চেক এখনত পৰিশোধ কৰিবলৈ চৰ্তবিহীন আদেশ থাকিব লাগিব।

৩। **এটা নিৰ্দিষ্ট বেংকৰ ওপৰত** (On a specified banker) ঃ চেক সদায় নিৰ্দিষ্ট বেংকৰ ওপৰত হে লিখা হয়।

৪। **চাহিদা অনুযায়ী পৰিশোধযোগ্য** (Payable on demand) ঃ চেক সদায় চাহিদা অনুযায়ী পৰিশোধ কৰিব লাগে।

৫। **নিৰ্ধাৰিত পৰিমাণৰ ধন** (Specified sum of money) ঃ চেক এখন সদায় নিৰ্ধাৰিত পৰিমাণৰ ধনৰ বাবে লিখা হয়।

৬। **প্ৰাপক নিৰ্দিষ্ট হ'ব লাগিব** (Payee to be certain) ঃ চেকৰ প্ৰাপক হৈছে সেইজন ব্যক্তি যাক চেকৰ ধন পৰিশোধ কৰিব লাগিব। প্ৰাপক নিৰ্দিষ্ট হব লাগিব। চেকৰ লিখক নিজেই প্ৰাপক হব পাৰে। প্ৰাপক এজন মানুহ বা কৃত্ৰিম ব্যক্তি, ইত্যাদি হব পাৰে।

৭। **লিখকৰ দ্বাৰা স্বাক্ষৰিত** (Signed by the drawer) ঃ চেকখন লিখকৰ (বেংকৰ গ্ৰাহক) দ্বাৰা স্বাক্ষৰিত হব লাগিব। চেকত থকা লিখকৰ স্বাক্ষৰ বেংকত থকা নমুনাৰ স্বাক্ষৰৰ সৈতে মিলিব লাগিব।

৮। **আদেশমতে বা বাহকক পৰিশোধযোগ্য** (Payable to order or bearer) ঃ চেকৰ ধন আদেশমতে বা বাহকক পৰিশোধ কৰিব লাগিব পাৰে।

৯। **সমৰ্পন** (Delivery) ঃ চেক এখন সমৰ্পন/প্ৰদান কৰাটো অতি আৱশ্যক। বাহকক পৰিশোধ কৰিব লগা চেক এখন ইয়াৰ সমৰ্পনৰ/প্ৰদানৰ দ্বাৰা হস্তান্তৰযোগ্য।

**প্ৰতিশ্ৰুতি পত্ৰ আৰু বিনিময় বিলৰ মাজত পাৰ্থক্য** (Differences between Promissory Note and Bill of Exchange) ঃ

| আধাৰ | প্ৰতিশ্ৰুতি পত্ৰ | বিনিময় বিল |
|---|---|---|
| ১। প্ৰতিশ্ৰুতি আৰু আদেশ | প্ৰতিশ্ৰুতি পত্ৰ এখনত পৰিশোধ কৰাৰ এক চৰ্তবিহীন প্ৰতিশ্ৰুতি থাকে। | বিনিময় বিল এখনত পৰিশোধ কৰিবলৈ এক চৰ্তবিহীন আদেশ থাকে। |
| ২। পক্ষসমূহ | প্ৰতিশ্ৰুতি পত্ৰ এখনত কেৱল দুটা পক্ষ— প্ৰস্তুতকাৰক আৰু প্ৰাপক থাকে। | বিনিময় বিল এখনত তিনিটা পক্ষ— প্ৰস্তুতকাৰক, স্বীকৃতিদাতা বা গ্ৰহীতা আৰু প্ৰাপক থাকে। |
| ৩। স্বীকৃতি | প্ৰতিশ্ৰুতি পত্ৰৰ ক্ষেত্ৰত স্বীকৃতিৰ প্ৰয়োজন নাই। | বিনিময় বিলৰ ক্ষেত্ৰত গ্ৰহীতাৰ দ্বাৰা স্বীকৃতিৰ প্ৰয়োজন। |
| ৪। দেনা (Liability) | প্ৰতিশ্ৰুতি পত্ৰৰ লিখকৰ/ প্ৰস্তুতকাৰকৰ দেনা প্ৰাথমিক আৰু সম্পূৰ্ণ। | বিনিময় বিলৰ লিখকৰ /প্ৰস্তুতকাৰকৰ দেনা গৌণ আৰু আকস্মিক। |
| ৫। পৰিশোধ | প্ৰতিশ্ৰুতি পত্ৰ কেৱল তাত নাম থকা প্ৰাপকক বা তেওঁৰ আদেশত পৰিশোধ কৰিব লাগিব। | বিনিময় বিল বাহকক পৰিশোধযোগ্য কৰিব পাৰি। |
| ৬। ছেট (Set) ক্ৰমাগতভাৱে | প্ৰতিশ্ৰুতি পত্ৰবোৰ ক্ৰমাগতভাৱে প্ৰস্তুত কৰা নহয়। | বিদেশী/ বৈদেশিক বিনিময় বিলবোৰ ক্ৰমাগতভাৱে প্ৰস্তুত কৰা হয়। |
| ৭। প্ৰাপক | প্ৰতিশ্ৰুতি পত্ৰৰ ক্ষেত্ৰত, প্ৰস্তুতকাৰকজন প্ৰাপক হ'ব নোৱাৰে। | বিনিময় বিলৰ ক্ষেত্ৰত প্ৰস্তুতকাৰকজন প্ৰাপক হ'ব পাৰে। |
| ৮। অসন্মানৰ জাননী | প্ৰতিশ্ৰুতি পত্ৰৰ প্ৰস্তুতকাৰকক অসন্মানৰ কোনো জাননী দিয়াৰ প্ৰয়োজন নাই। | বিনিময় বিলৰ ধাৰকে প্ৰস্তুতকাৰকলৈ অসন্মানৰ জাননী দিব লাগিব। |

**প্ৰতিশ্ৰুতি পত্ৰ আৰু চেকৰ মাজত পাৰ্থক্য** (Differences between Promissory Note and Cheque) ঃ

| আধাৰ | প্ৰতিশ্ৰুতি পত্ৰ | চেক |
|---|---|---|
| ১। প্ৰতিশ্ৰুতি আৰু আদেশ | প্ৰতিশ্ৰুতি পত্ৰ এখনত পৰিশোধ কৰাৰ এক চৰ্তবিহীন প্ৰতিশ্ৰুতি থাকে। | চেক এখনত পৰিশোধ কৰিবলৈ এক চৰ্ত্তবিহীন আদেশ থাকে। |
| ২। পক্ষসমূহ | এখন প্ৰতিশ্ৰুতি পত্ৰত কেৱল দুটা পক্ষ— প্ৰস্তুতকাৰক আৰু প্ৰাপক থাকে। | এখন চেকত তিনিটা পক্ষ— প্ৰস্তুতকাৰক, গ্ৰহীতা (drawee bank) আৰু প্ৰাপক থাকে। |
| ৩। পৰিশোধ | প্ৰতিশ্ৰুতি পত্ৰ এখন সাধনি মতে বা এক নিৰ্দিষ্ট সময়ৰ পিছত পৰিশোধযোগ্য। | চেক এখন সদায় সাধনি মতে পৰিশোধযোগ্য। |
| ৪। প্ৰাপক | প্ৰতিশ্ৰুতি পত্ৰৰ ক্ষেত্ৰত, প্ৰস্তুতকাৰকজন প্ৰাপক হ'ব নোৱাৰে। | চেকৰ প্ৰস্তুতকাৰকজন প্ৰাপক হ'ব পাৰে। |
| ৫। ৰাজহ মোহৰ | প্ৰতিশ্ৰুতি পত্ৰত ৰাজহ মোহৰ লগোৱা প্ৰয়োজন। | চেকত ৰাজহ মোহৰ লগোৱাৰ প্ৰয়োজন নাই। |
| ৬। ৰেখাংকন | প্ৰতিশ্ৰুতি পত্ৰ ৰেখাংকন কৰিব নোৱাৰি। | চেক ৰেখাংকন কৰিব পাৰি। |

**বিনিময় বিল আৰু চেকৰ মাজত পাৰ্থক্য** (Differences between Bill of Exchange and Cheque) ঃ

| আধাৰ | প্ৰতিশ্ৰুতি পত্ৰ | চেক |
|---|---|---|
| ১। গ্ৰহীতা | বেংককে ধৰি যিকোনো ব্যক্তিৰ ওপৰত বিনিময় বিল এখন লিখা বা প্ৰস্তুত কৰা হ'ব পাৰে। | চেক সদায় বেংকৰ ওপৰত লিখা বা প্ৰস্তুত কৰা হয়। |
| ২। পৰিশোধ | বিনিময় বিল এখন সাধনি মতে বা এক নিৰ্দিষ্ট সময়ৰ ম্যাদ উকলি যোৱাৰ পিছত পৰিশোধযোগ্য হিচাপে প্ৰস্তুত কৰিব পাৰি। | চেক এখন কেৱল সাধনি মতে পৰিশোধযোগ্য হিচাপেহে প্ৰস্তুত কৰিব পাৰি। |
| ৩। মুদ্ৰিত প্ৰপত্ৰ | বিনিময় বিল এখন সাধাৰণতে মুদ্ৰিত প্ৰপত্ৰত প্ৰস্তুত কৰা নহয়। | চেক এখন সদায় মুদ্ৰিত প্ৰপত্ৰ এখনত প্ৰস্তুত কৰা হয়। |
| ৪। স্বীকৃতি | বিনিময় বিলৰ ক্ষেত্ৰত গ্ৰহীতাৰ দ্বাৰা স্বীকৃতি অত্যাৱশ্যকীয়। | চেকৰ ক্ষেত্ৰত, গ্ৰহীতা (বেংক)ৰ দ্বাৰা স্বীকৃতি অত্যাৱশ্যকীয় নহয়। |
| ৫। ৰেখাংকন | বিনিময় বিল এখনত ৰেখাংকন কৰিব নোৱাৰি। | চেক এখন সাধাৰণতে বা বিশেষভাৱে ৰেখাংকন কৰিব পাৰি। |
| ৬। ৰাজহ মোহৰ | বিনিময় বিলত ৰাজহ মোহৰ লগোৱা প্ৰয়োজন। | চেকত ৰাজহ মোহৰ লগোৱা প্ৰয়োজন নাই। |
| ৭। অনুগ্ৰহৰ সময় | বিনিময় বিলৰ ক্ষেত্ৰত তিনিদিনৰ অনুগ্ৰহ সময়ৰ অনুমতি দিয়া হয়। | চেকৰ ক্ষেত্ৰত কোনো অনুগ্ৰহ সময়ৰ অনুমতি নাই। |
| ৮। ছেট (ক্ৰমাগতভাৱে) | বৈদেশিক বিনিময় বিলবোৰ ক্ৰমাগতভাৱে প্ৰস্তুত কৰা হয়। | চেক ক্ৰমাগতভাৱে প্ৰস্তুত কৰা নহয়। |
| ৯। পৰিশোধ প্ৰতিৰোধ | বিনিময় বিলৰ ক্ষেত্ৰত পৰিশোধৰ প্ৰতিৰোধ সম্ভৱ নহয়। | চেক এখনৰ পৰিশোধ প্ৰতিৰোধ কৰিব পাৰি। |
| ১০। অসন্মানৰ জাননী | বিনিময় বিলৰ ক্ষেত্ৰত, সাধাৰণতে অসন্মানৰ জাননী দিয়াৰ প্ৰয়োজন হয়। | চেকৰ ক্ষেত্ৰত, অসন্মানৰ জাননী দিয়াৰ প্ৰয়োজন নাই। |

**চেকৰ প্ৰকাৰ** (TYPES OF CHEQUES)

চেক সাধাৰণতে দুই প্ৰকাৰৰ ঃ

১। মুকলি চেক (Open Cheque)

২। ৰেখাংকিত চেক (Crossed Cheque)

১। **মুকলি চেক** (Open Cheque)

মুকলি চেক হৈছে এখন চেক যাক উপস্থাপনৰ দ্বাৰা আৰু বেংকৰ জৰিয়তে বেংকৰ কাউণ্টাৰত নগদীকৰণ কৰিব বা ভঙাব পাৰি। মুকলি চেক এখনত কোনো সমান্তৰাল অথালি-পথালি ৰেখাৰ প্ৰয়োজন নাই। ইয়াক কোনো প্ৰতিবন্ধক অবিহনে প্ৰাপকক পোনপটীয়া পৰিশোধ কৰিবলৈ ব্যৱহাৰ কৰা হয়। ৰেখাংকন কৰা চেকৰ বাহিৰে আন সকলো চেকক মুকলি চেক বুলি কোৱা হয়।

**মুকলি চেকৰ নমুনা** (Specimen of open cheque) ঃ

CHANDMARI (13248) Date..........................

Pay........................................................................OR BEARER

Rupees.........................................................Rs.......................

A/c No. 90125629123

State Bank of India
CHANDMARI
M. G. ROAD, KAMRUP Pradyumna Kotoky

21369 782510261 0044490 10

**মুকলি চেকৰ বৈশিষ্ট্যসমূহ** (Features of open cheque) ঃ

১। **সমান্তৰাল ৰেখা বা বেংকৰ নাম** (Parallel lines or name of bank) ঃ মুকলি চেকত কোনো সমান্তৰাল অথালি-পথালি ৰেখা বা বেংকৰ নাম লিখাৰ প্ৰয়োজন নাই।

২। **নগদীকৰণ** (Encashment) ঃ মুকলি চেক উপস্থাপনৰ দ্বাৰা আৰু বেংকৰ জৰিয়তে বেংকৰ কাউণ্টাৰত নগদীকৰণ কৰিব পাৰি বা ভঙাব পাৰি।

৩। **ব্যৱহাৰ** (Use) ঃ কোনো প্ৰতিবন্ধক অবিহনে প্ৰাপকক পোনপটীয়াকৈ পৰিশোধ কৰিবলৈ ইয়াক ব্যৱহাৰ কৰিব পাৰি।

৪। **প্ৰকৃতি** (Nature) ঃ মুকলি চেক বাহক বা আদেশী চেক হ'ব পাৰে।

৫। **ৰূপান্তৰ** (Conversion) ঃ ইয়াক যিকোনো ধাৰকে ৰেখাংকিত চেকলৈ ৰূপান্তৰ কৰিব পাৰে।

**মুকলি চেকৰ প্ৰকাৰ** (Types of open cheques) ঃ মুকলি চেক দুই প্ৰকাৰৰ।

(ক) বাহক চেক (Bearer cheque)

(খ) আদেশী চেক (Order cheque)

(ক) **বাহক চেক ঃ** বাহক চেক হৈছে এখন চেক যিখন চেকখন হাতত থকা যিকোনো ব্যক্তিক পৰিশোধযোগ্য। চেকৰ বাহকে নিজকে চিনাক্ত নকৰাকৈয়ে ইয়াক বেংকৰ কাউণ্টাৰত নগদীকৰণ কৰিব পাৰে বা ভঙাই ল'ব পাৰে। অৱশ্যে ধাৰকে নগদ ধন লোৱাৰ সময়ত চেকৰ পিছফালে তেওঁৰ স্বাক্ষৰ কৰিব লাগিব। বাহক চেকৰ ক্ষেত্ৰত প্ৰাপকৰ নামৰ শেষত মুদ্ৰিত শব্দ 'বা বাহক' উল্লেখ কৰিব লাগিব। উদাহৰণস্বৰূপে, শ্ৰীযুত অনিল বা বাহকক পৰিশোধ কৰক। বাহক চেক এখন কেৱল সমৰ্পণৰ দ্বাৰা এজন ব্যক্তিৰ পৰা আন এজনলৈ হস্তান্তৰ কৰিব পাৰি। ইয়াক হস্তান্তৰৰ বাবে পৃষ্ঠাংকণৰ প্ৰয়োজন নাই। যদি বাহক চেক এখন চুৰি হয় বা হেৰোৱায়, তেনেহ'লে সেইখন চেক এজন অকৰ্তৃত্বশীল ব্যক্তিক পৰিশোধ কৰাৰ বাবে বেংকাৰক দায়বদ্ধ কৰা নহয়।

**বাহক চেকৰ নমুনা** (Specimen of a bearer cheque)ঃ

CHANDMARI (13248) Date.........................

Pay.............................................................................OR BEARER

Rupees.........................................................Rs......................

A/c No. 90125629123

State Bank of India
CHANDMARI
M. G. ROAD, KAMRUP Pradyumna Kotoky

21369 782510261 0044490 10

**বাহক চেকৰ বৈশিষ্ট্যসমূহ** (Features of a Bearer cheque)ঃ

১। **পৰিচয়** (Identity) **ঃ** বাহক চেকত 'বা বাহক' মুদ্ৰিত শব্দবোৰ প্ৰাপকৰ নামৰ শেষত উল্লেখ কৰিব লাগিব।

২। **প্ৰাপক** (Payee) **ঃ** বাহক চেকখন ধাৰণ কৰা (হাতত থকা) যিকোনো ব্যক্তিক ই পৰিশোধযোগ্য।

৩। নগদীকৰণ (Encashment) **ঃ** বাহক চেকৰ ধাৰকে নিজকে চিনাক্ত নকৰাকৈয়ে ইয়াক বেংকৰ কাউণ্টাৰত নগদীকৰণ (ভঙাই লব) কৰিব পাৰে।

৪। **পৃষ্ঠাংকণ** (Endorsement) **ঃ** ইয়াক পৃষ্ঠাংকণৰ প্ৰয়োজন নাই। অৰ্থাৎ ইয়াক কেৰল সমৰ্পণৰ (প্ৰদানৰ) দ্বাৰা যিকোনো ব্যক্তিলৈ হস্তান্তৰ কৰিব পাৰি।

**বাহক চেকৰ সুবিধাসমুহ** (Advantages of Bearer cheque)**ঃ**

১। **নগদীকৰণ** (Encashment) **ঃ** বাহক চেকৰ ধাৰকে নিজকে চিনাক্ত নকৰাকৈয়ে ইয়াক বেংক কাউণ্টাৰত নগদীকৰণ কৰিব পাৰে।

২। **পৃষ্ঠাংকণ** (Endorsement) **ঃ** ইয়াক পৃষ্ঠাংকণ কৰাৰ প্ৰয়োজন নাই। অৰ্থাৎ, ইয়াক কেৰল সমৰ্পণৰ /প্ৰদানৰ দ্বাৰা আন এজন ব্যক্তিলৈ হস্তান্তৰ কৰিব পাৰি।

৩। **ব্যৱহাৰ** (Use) **ঃ** ইয়াক কোনো প্ৰতিবন্ধক অবিহনে ধাৰকক পোনপটীয়া পৰিশোধ কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি।

**বাহক চেকৰ অসুবিধাসমূহ** (Disadvantages of Bearer Cheque) ঃ

১। **হেৰোৱা বা চুৰি হোৱা** (Lost or stolen) ঃ যদি বাহক চেকখন হেৰোৱায় বা চুৰি হয়, ধন হেৰুওৱাৰ সম্ভাৱনা সৰ্বাধিক।

২। **পৰিশোধ** (Payment) ঃ ধাৰকক পোনপটীয়া পৰিশোধ কৰিব নিবিচাৰিলে ইয়াক ব্যৱহাৰ কৰিব নোৱাৰি।

**আদেশী চেক** (Order cheque) ঃ আদেশী চেক হৈছে এখন চেক যি চেকত নাম থকা এজন নিৰ্দিষ্ট ব্যক্তিক বা তেওঁৰ আদেশমতে পৰিশোধ কৰিব লাগিব। প্ৰাপকৰ নামৰ শেষত মুদ্ৰিত শব্দ ‘বা আদেশ’ (or order) উল্লেখ কৰিব লাগিব।

সৰল/সহজ অৰ্থত আদেশী চেক কেৱল প্ৰাপক বা তেওঁৰ পৰা চেকখন প্ৰাপ্ত (গ্ৰহণ) কৰা যিকোনো ব্যক্তিক পৰিশোধযোগ্য। উদাহৰণস্বৰূপে, যদি চেকখনত ‘ৰাজীৱ শৰ্মাক বা আদেশমতে পৰিশোধ কৰক’ লিখা হয়, তেনেহ’লে ই হৈছে এখন আদেশী চেক। এই চেকখন বেংকাৰজনে ৰাজীৱ শৰ্মাক বা তেওঁৰ আদেশ অনুসৰি যিকোনো ব্যক্তিক পৰিশোধ কৰিব লাগিব।

চেকখনৰ পৃষ্ঠাংকণ আৰু সমৰ্পণৰ (প্ৰদানৰ) দ্বাৰা আদেশী চেক এখন এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিলৈ হস্তান্তৰ কৰিব পাৰি। বেংকে প্ৰাপকৰ পৰিচয়ৰ বিষয়ে সন্তুষ্ট হ’লেহে বেংকৰ দ্বাৰা আদেশী চেক এখন পৰিশোধ কৰা হয়। যদি কোনো ভুল ব্যক্তিক পৰিশোধ কৰা হয়, সেই লোকচানৰ বাবে বেংকক দায়ী কৰা হব।

**আদেশী চেকৰ নমুনা** (Specimen of an Order Cheque) ঃ

CHANDMARI (13248) Date..........................

Pay.................................................................................OR ORDER

Rupees...........................................................Rs.......................

A/c No. 90125629123

State Bank of India
CHANDMARI
M. G. ROAD, KAMRUP Pradyumna Kotoky

21369 782510261 0044490 10

**আদেশী চেকৰ প্ৰধান বৈশিষ্ট্যসমূহ** (Features of an order cheques) ঃ

১। পৰিচয় (Identity) ঃ প্ৰাপকৰ নামৰ শেষত ‘বা আদেশমতে’ (or order) মুদ্ৰিত/ছপা শব্দবোৰ উল্লেখ কৰিব লাগিব।

২। প্ৰাপক (Payee)ঃ আদেশী চেক কোনো নিৰ্দিষ্ট ব্যক্তিক বা তেওঁৰ আদেশমতে পৰিশোধযোগ্য।

৩। নগদীকৰণ (Encashment) ঃ আদেশী চেকৰ ধাৰকে ইয়াক বেংকৰ কাউণ্টাৰত নগদীকৰণ কৰিব (ভঙাই লব) নোৱাৰে। ইয়াক ধাৰকৰ চলিত বা সঞ্চয় হিচাবৰ জৰিয়তে নগদীকৰণ কৰিব (ভঙাই লব) পাৰি।

**আদেশী চেকৰ সুবিধাসমূহ** (Advantages of order cheque) ঃ

১। হেৰোৱা বা চুৰি হোৱা (Lost or stolen) আদেশী চেক হেৰালে বা চুৰি হ’লে, ধন হেৰুওৱাৰ সম্ভাৱনা নিম্নতম।

২। ব্যৱহাৰ (Use) ঃ যেতিয়া ধাৰকক পোনপটীয়া পৰিশোধ কৰিব বিচৰা নহয়, তেতিয়া ইয়াক ব্যৱহাৰ কৰিব পাৰি।

**আদেশী চেকৰ অসুবিধাসমূহ** (Disadvantages of order cheque) ঃ

১। নগদীকৰণ (Encashment) ঃ আদেশী চেকৰ ধাৰকে ইয়াক বেংকৰ কাউণ্টাৰত নগদীকৰণ কৰিব নোৱাৰে।

২। পৃষ্ঠাংকণ (Endorsement) ঃ ইয়াক পৃষ্ঠাংকণ কৰা প্ৰয়োজন। অৰ্থাৎ, ইয়াক কেৱল পৃষ্ঠাংকণ আৰু সমৰ্পণৰ দ্বাৰা আন এজন ব্যক্তিলৈ হস্তান্তৰ কৰিব পাৰি।

**বাহক চেক আৰু আদেশী চেকৰ মাজত পাৰ্থক্য**

(Differences between Bearer cheque and Order cheque) ঃ

| আধাৰ | বাহক চেক | আদেশী চেক |
|---|---|---|
| অৰ্থ | বাহক চেক যিকোনো ব্যক্তিক পৰিশোধযোগ্য। | আদেশী চেক যিকোনো নিৰ্দিষ্ট ব্যক্তিক বা তেওঁৰ আদেশমতে পৰিশোধযোগ্য। |
| শব্দৰ উল্লেখ | প্ৰাপকৰ নামৰ শেষত 'বা বাহক' শব্দবোৰ উল্লেখ কৰিব লাগিব। | প্ৰাপকৰ নামৰ শেষত 'বা আদেশমতে' শব্দবোৰ উল্লেখ কৰিব লাগিব। |
| পৃষ্ঠাংকণ | ইয়াক পৃষ্ঠাংকনৰ প্ৰয়োজন নাই। ইয়াক কেৱল সমৰ্পণৰ দ্বাৰা আন এজন ব্যক্তিলৈ হস্তান্তৰ কৰিব পাৰি। | ইয়াক পৃষ্ঠাংকণৰ প্ৰয়োজন। ইয়াক পৃষ্ঠাংকণ আৰু সমৰ্পণৰ দ্বাৰা আন এজন ব্যক্তিলৈ হস্তান্তৰ কৰিব পাৰি। |
| নগদীকৰণ | বাহক চেকৰ ধাৰকে নিজক চিনাক্ত নকৰাকৈয়ে ইয়াক বেংকৰ কাউণ্টাৰত নগদীকৰণ কৰিব পাৰে। | আদেশী চেকৰ ধাৰকে ইয়াক বেংকৰ কাউণ্টাৰত নগদীকৰণ কৰিব নোৱাৰে। ইয়াক ধাৰকৰ চলিত বা সঞ্চয় হিচাবৰ জৰিয়তে নগদীকৰণ কৰিব পাৰি। |
| হেৰোৱা বা চুৰি হোৱা | বাহক চেকখন হেৰালে বা চুৰি হ'লে ধন হেৰোৱাৰ সম্ভাৱনা সৰ্বাধিক। | আদেশী চেকখন হেৰালে বা চুৰি হলে, ধন হেৰোৱাৰ সম্ভাৱনা নিম্নতম। |

২। **ৰেখাংকিত চেক** (Crossed cheque) **ঃ**

এখন চেকৰ সন্মুখৰ বাওঁফালৰ ওপৰৰ কোণত কোনো শব্দসহ বা শব্দ অবিহনে দুডাল সমান্তৰাল অথালি-পথালি ৰেখা টনা থাকিলে বা ইয়াৰ সন্মুখভাগত বেংকৰ নাম লিখা থাকিলে তেনে চেকক ৰেখাংকিত চেক বুলি কোৱা হয়। এখন ৰেখাংকিত চেক কেৱল বেংক হিচাবৰ জৰিয়তেহে পৰিশোধ কৰিব লাগে। এনেকুৱা চেক বেংকৰ কাউণ্টাৰত পৰিশোধ নহয়।

**ৰেখাংকিত চেকৰ প্ৰধান বৈশিষ্ট্যসমূহ** (Main Features of a crossed cheque) **ঃ**

১। **সমান্তৰাল ৰেখা বা বেংকৰ নাম** (Parallel lines or name of a bank) **ঃ** এখন ৰেখাংকিত চেকত দুডাল সমান্তৰাল অথালি-পথালি ৰেখা বা এটা বেংকৰ নাম থকাটো প্ৰয়োজন।

২। **নগদীকৰণ** (Encashment) **ঃ** ইয়াক উপস্থাপনৰ দ্বাৰা বেংকৰ কাউণ্টাৰত নগদীকৰণ কৰিব (ভঙাব) নোৱাৰি। ইয়াক কেৱল কোনো বেংকৰ জৰিয়তে নগদীকৰণ কৰিব পাৰি। এইটো এনে চেকৰ এক বিশেষ বিশেষত্ব।

৩। **ব্যৱহাৰ** (Use) **ঃ** প্ৰাপকক পোনপটীয়া পৰিশোধ কৰিব নিবিচাৰিলে ইয়াক ব্যৱহাৰ কৰিব পাৰি।

৪। **উদ্দেশ্য** (Object) **ঃ** ৰেখাংকিত চেকৰ উদ্দেশ্য হৈছে গৰাকীক লোকচান, চুৰি বা জালিয়াতিৰ পৰা সুৰক্ষিত কৰা।

৫। **ৰূপান্তৰ** (Conversion) **ঃ** নগদ ধন পৰিশোধ কৰাৰ আদেশৰ সৈতে সমান্তৰাল ৰেখা বা বেংকৰ নাম প্ৰত্যাহাৰ কৰি ৰেখাংকিত চেক এখন কেৱল লিখকৰ দ্বাৰাহে মুকলি চেকলৈ ৰূপান্তৰ কৰিব পাৰি।

**মুকলি চেক আৰু ৰেখাংকিত চেকৰ মাজত পাৰ্থক্য** (Differences between Open Cheque and Crossed Cheque) ঃ

| আধাৰ | মুকলি চেক | ৰেখাংকিত চেক |
|---|---|---|
| ১। সমান্তৰাল ৰেখা বা বেংকৰ নাম | মুকলি চেক এখনত কোনো সমান্তৰাল অথালি-পথালি ৰেখা বা বেংকৰ নামৰ প্ৰয়োজন নাই। | ৰেখাংকিত চেক এখনত দুডাল সমান্তৰাল অথালি-পথালি ৰেখা বা বেংকৰ নামৰ প্ৰয়োজন। |
| ২। নগদীকৰণ | ইয়াক উপস্থাপনৰ দ্বাৰা আৰু বেংকৰ কাউণ্টাৰত নগদীকৰণ কৰিব পাৰি। | উপস্থাপনৰ দ্বাৰা ইয়াক বেংকৰ কাউণ্টাৰত নগদীকৰণ কৰিব নোৱাৰি। ইয়াক কেৱল কোনো বেংকৰ জৰিয়তেহে নগদীকৰণ কৰিব পাৰি। |
| ৩। ব্যৱহাৰ | ইয়াক কোনো প্ৰতিবন্ধক অবিহনে প্ৰাপকক পোনপটীয়া পৰিশোধ কৰিবলৈ ব্যৱহাৰ কৰিব পাৰি। | যেতিয়া প্ৰাপকক পোনপটীয়া পৰিশোধ কৰিব বিচৰা নহয় তেতিয়া ইয়াক ব্যৱহাৰ কৰিব পাৰি। |
| ৪। ৰূপান্তৰ | ইয়াক যিকোনো ধাৰকে ৰেখাংকিত চেকলৈ ৰূপান্তৰ কৰিব পাৰে। | ইয়াক কেৱল লিখকে সমান্তৰাল ৰেখা বা বেংকৰ নাম প্ৰত্যাহাৰ কৰি, নগদ ধন পৰিশোধ কৰাৰ আদেশৰ সৈতে মুকলি চেকলৈ ৰূপান্তৰ কৰিব পাৰে। |
| ৫। হেৰোৱা বা চুৰি হোৱা | মুকলি চেক হেৰালে বা চুৰি হ'লে প্ৰাপকে টকা হেৰোৱায়। যদিহে হেৰোৱা বা চুৰি হোৱা চেকৰ ধাৰকে চেকখন ভঙাই নিয়াৰ আগতে বেংকক সঠিক জাননী দিয়া নহয়। | ৰেখাংকিত চেক হেৰালে বা চুৰি হ'লে প্ৰাপকে টকা হেৰোওৱাৰ সম্ভাৱনা কম। কিয়নো তেওঁ বেংকৰ পৰা যিয়ে ধন উলিয়াই নিছে তেওঁক বিচাৰি উলিয়াব পাৰিব আৰু ধন ঘূৰাই পোৱাৰ স্থিতিত থাকিব। |

## সাৰাংশ

- ভাৰতত হস্তান্তৰযোগ্য দলীল সম্পৰ্কীয় আইন কানুনসমূহ ১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ অন্তৰ্ভূক্ত। প্ৰতিশ্ৰুতি পত্ৰ, বিনিময় পত্ৰ, চেক, লগতে হুণ্ডি (Hundi- স্থানীয় ভাষাত বিনিময় পত্ৰ) সম্পৰ্কীয় বিষয়সমূহ এই আইনৰ অধীনত বিচাৰ বিবেচনা কৰা হয়।
- ১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনখন, ১৯৯২ চনৰ ১ মাৰ্চৰ পৰা বলৱৎ হৈছিল।

- **হস্তান্তৰযোগ্য দলীলৰ অৰ্থ ঃ**

১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ ১৩ নং ধাৰা অনুসৰি "প্ৰতিশ্ৰুতি পত্ৰ, বিনিময় পত্ৰ বা চেক যি নেকি ইয়াৰ বাহকক বা ইয়াত উল্লেখ থকা নিৰ্দিষ্ট ব্যক্তিক আদায়যোগ্য হয়, সেয়ে হস্তান্তৰযোগ্য দলীল।"

সেয়েহে আইনৰ দ্বাৰা স্বীকৃত হস্তান্তৰযোগ্য দলীলবোৰত (ক) প্ৰতিশ্ৰুতি পত্ৰ (খ) বিনিময় পত্ৰ আৰু (গ) চেক অন্তৰ্ভূক্ত।

ইয়াৰ বাহিৰেও ব্যৱসায় বাণিজ্যত আন কিছুমান দলীলৰ প্ৰচলন আছে যিবোৰ হস্তান্তৰযোগ্য দলীল হিচাপে স্বীকৃতি দিয়া হৈছে। সেইবোৰ হৈছে— (ক) হুণ্ডি (Hundi), (খ) অংশ অধিপত্ৰ (Share Warrant), (গ) লভ্যাংশ অধিপত্ৰ (Dividend Warrant), (ঘ) বেংক ড্ৰাফট্ (Bank Draft), (ঙ) চাকুৰ্লাৰ টোকা (Circular Notes), (চ) বাহক ঋণপত্ৰ (Bearer Debenture) (ছ) ৰেলৰ ৰচিদ (Railway Receipts), (জ) সূত অধিপত্ৰ (Interest Warrant), (ঝ) ডাক আদেশ (Postal Order) ইত্যাদি।

- **হস্তান্তৰযোগ্য দলীলৰ বৈশিষ্ট্যসমূহ—**

হস্তান্তৰযোগ্য দলীলৰ অত্যাৱশ্যকীয় বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

১। **মুক্তভাৱে হস্তান্তৰযোগ্য ঃ** দলীলখন কেৱল সমৰ্পণৰ দ্বাৰা বা দলীলখন পৃষ্ঠাংকণ আৰু সমৰ্পণৰ দ্বাৰা হস্তান্তৰযোগ্য দলীলৰ গৰাকীস্বত্ব হস্তান্তৰ কৰিব পাৰি।

২। **ত্ৰুটি মুক্ত স্বত্ব ঃ** হস্তান্তৰযোগ্য দলীলৰ হস্তান্তৰ গ্ৰহীতাই এটা ভাল স্বত্ব লাভ কৰে যি সকলো ত্ৰুটিৰ পৰা মুক্ত।

৩। **গোচৰ ৰুজু কৰাৰ অধিকাৰ ঃ** হস্তান্তৰযোগ্য দলীল এখনৰ ধাৰকে তেওঁৰ নিজৰ নামত গোচৰ ৰুজু কৰিব পাৰে আৰু তেওঁ তাত পৰিশোধ কৰিব লগা পক্ষৰ পৰা দলীলত উল্লেখিত পৰিমাণৰ ধন পুনৰুদ্ধাৰ কৰিব পাৰে।

৪। **হস্তান্তৰৰ জাননীৰ প্ৰয়োজন নাই** ঃ এখন হস্তান্তৰযোগ্য দলীলৰ হস্তান্তৰকাৰীয়ে হস্তান্তৰগ্ৰহীতালৈ দলীলখন সাধাৰণভাৱেই হস্তান্তৰ কৰিব পাৰে। দলীলখনৰ পৰিশোধ কৰিবলৈ দায়বদ্ধ পক্ষলৈ হস্তান্তৰৰ কোনো জাননী প্ৰেৰণ কৰাৰ প্ৰয়োজন নাই।

৫। **ধাৰণা** ঃ এখন হস্তান্তৰযোগ্য দলীল সম্পৰ্কত কিছুমান আইনী ধাৰণা অনুসৰণ কৰা হয়।

- **হস্তান্তৰযোগ্য দলীলৰ প্ৰকাৰ ঃ** হস্তান্তৰযোগ্য দলীলবোৰক বহুলভাৱে দুটা ভাগত শ্ৰেণীবদ্ধ কৰিব পাৰি।

(ক) আইন অনুসৰি হস্তান্তৰযোগ্য দলীল ঃ ১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইন অনুসৰি তিনিখন দলীল যেনে— প্ৰতিশ্ৰুতি পত্ৰ, বিনিময় পত্ৰ আৰু চেকক হস্তান্তৰযোগ্য দলীল হিচাপে উল্লেখ কৰা হৈছে। সেয়েহে এইবোৰক আইনৰ দ্বাৰা স্বীকৃত হস্তান্তৰযোগ্য দলীল বুলি কোৱা হয়।

(খ) বাণিজ্যৰ ব্যৱহাৰ বা ৰীতি-নীতি অনুসৰি হস্তান্তৰযোগ্য দলীল ঃ এই শ্ৰেণীত অন্তৰ্ভূক্ত দলীলবোৰ হৈছে— হুণ্ডি, অংশ অধিপত্ৰ, লভ্যাংশ অধিপত্ৰ, বেংক ড্ৰাফট্, চাকুৰ্লাৰ (টোকা) নোট, বাহক ঋণপত্ৰ, ৰেলৰ ৰচিদ, সূত অধিপত্ৰ, ডাক আদেশ ইত্যাদি।

- **প্ৰতিশ্ৰুতি পত্ৰ ঃ** ১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ ৪ নং ধাৰা অনুসৰি "প্ৰতিশ্ৰুতি পত্ৰ হৈছে, প্ৰতিশ্ৰুতিদাতাৰ দ্বাৰা স্বাক্ষৰিত এক লিখিত দলীল (কিন্তু বেংক নোট বা চল্তি নোট নহয়), য'ত চৰ্তবিহীনভাৱে সাধনীমতে বা তাৰিখ মতে নিৰ্দিষ্ট পৰিমাণৰ টকা নিৰ্দিষ্ট ব্যক্তিক বা তেওঁৰ হুকুম মতে নতুবা তাৰ বাহকক আদায় দিবলৈ প্ৰতিশ্ৰুতি দিয়া হয়।"

সহজ ভাষাত এখন প্ৰতিশ্ৰুতি পত্ৰ হৈছে দেনাদাৰৰ দ্বাৰা পাওনাদাৰক এক নিৰ্দিষ্ট সময়ৰ পিছত এক নিৰ্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰাৰ এক লিখিত প্ৰতিশ্ৰুতি। প্ৰতিশ্ৰুতি পত্ৰ সদায় দেনাদাৰে প্ৰস্তুত কৰে। তেওঁক দলীলখনৰ প্ৰস্তুতকাৰক বুলি কোৱা হয়।

- **প্ৰতিশ্ৰুতি পত্ৰৰ বৈশিষ্ট্যসমূহ ঃ** ১। লিখিত দলীল, ২। পৰিশোধৰ প্ৰতিশ্ৰুতি, ৩। চৰ্তহীন প্ৰতিশ্ৰুতি, ৪। প্ৰস্তুত কাৰকৰ (লিখকৰ) দ্বাৰা স্বাক্ষৰিত, ৫। প্ৰাপক নিৰ্দিষ্ট হ'ব লাগিব, ৬। টকা পৰিশোধৰ প্ৰতিশ্ৰুতি, ৭। পৰিমাণ নিশ্চিত হ'ব লাগিব, ৮। সঠিকভাৱে মোহৰ লগোৱা।

- **প্ৰতিশ্ৰুতি পত্ৰৰ পক্ষসমূহ—**

১। **প্ৰস্তুতকাৰক/ লিখক** (Maker) ঃ প্ৰস্তুতকাৰক/লিখক হৈছে দেনাদাৰ যি প্ৰতিশ্ৰুতি পত্ৰ প্ৰস্তুত আৰু স্বাক্ষৰ কৰে (এক নিৰ্দিষ্ট সময়ৰ ম্যাদ উকলি যোৱাৰ পিছত এক নিৰ্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে) আৰু যিয়ে পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

২। **প্ৰাপক** (Payee) ঃ প্ৰতিশ্ৰুতি পত্ৰত নাম থকা ব্যক্তিজন, যাক বা যাৰ আদেশমতে টকা পৰিশোধ কৰিব লাগিব তেওঁক প্ৰাপক বুলি কোৱা হয়।

- **বিনিময় পত্ৰ ঃ** ১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ ৫ নং ধাৰা অনুসৰি 'প্ৰস্তুতকাৰকৰ দ্বাৰা স্বাক্ষৰিত যি লিখিত দলীলত কোনো এক নিৰ্দিষ্ট ব্যক্তিক নিৰ্দিষ্ট পৰিমাণৰ টকা আন নিৰ্দিষ্ট ব্যক্তি বা তেওঁৰ নিৰ্দেশ অনুসৰি বা দলীলৰ বাহকক চৰ্তবিহীনভাৱে আদায় দিবলৈ আদেশ দিয়া হয়, তাকে বিনিময় পত্ৰ বোলে।

সহজ ভাষাত, বিনিময় পত্ৰ হৈছে এক নিৰ্দিষ্ট সময়ৰ পিছত, এক নিৰ্দিষ্ট ব্যক্তিক এক নিৰ্দিষ্ট পৰিমাণৰ ধন পৰিশোধ কৰিবলৈ পাওনাদাৰে দেনাদাৰক দিয়া এক চৰ্তবিহীন আদেশ। সেয়েহে, বিনিময় পত্ৰ সদায় পাওনাদাৰে দেনাদাৰৰ ওপৰত প্ৰস্তুত কৰে।

- **বিনিময় পত্ৰৰ বৈশিষ্ট্যসমূহ ঃ** ১। লিখিত দলীল, ২। চৰ্তবিহীন আদেশ, ৩। প্ৰস্তুতকাৰক আৰু বিলগ্ৰহীতা (স্বীকৃতিদাতা) নিৰ্দিষ্ট ব্যক্তি হ'ব লাগিব, ৪। প্ৰাপক নিৰ্দিষ্ট ব্যক্তি হব লাগিব, ৫। প্ৰস্তুতকাৰকৰ/লিখকৰ দ্বাৰা স্বাক্ষৰিত, ৬। এক নিৰ্দিষ্ট পৰিমাণৰ ধন, ৭। সঠিকভাৱে মোহৰ লগোৱা, ৮। চাহিদা অনুসৰি বা এক নিৰ্দিষ্ট তাৰিখৰ পিছত পৰিশোধযোগ্য।

- **বিনিময় পত্ৰৰ পক্ষসমূহ—**

১। **প্ৰস্তুতকাৰক /লিখক ঃ** বিনিময় পত্ৰৰ লিখক বা প্ৰস্তুত কৰিব পৰা ব্যক্তিজনক প্ৰস্তুতকাৰক / লিখক বুলি কোৱা হয়। বিনিময় পত্ৰৰ প্ৰস্তুতকাৰীজন ঋণদাতা বা দেনাদাৰ।

২। **বিলগ্ৰহীতা /স্বীকৃতিদাতা ঃ** যিজন ব্যক্তিৰ ওপৰত বিনিময় পত্ৰ প্ৰস্তুত কৰা হয়, তেওঁক বিলগ্ৰহীতা বা স্বীকৃতিদাতা বুলি কোৱা হয়।

৩। **প্ৰাপক ঃ** যিজন ব্যক্তিক বিনিময় পত্ৰৰ ধন পৰিশোধ কৰিব লগা হয় তেওঁক প্ৰাপক বুলি কোৱা হয়।

- **চেক ঃ** ১৮৮১ চনৰ হস্তান্তৰযোগ্য দলীল আইনৰ (হস্তান্তৰযোগ্য দলীল সংশোধনী আইন, ২০০২ৰ দ্বাৰা সংশোধন কৰা) ৬ নং ধাৰা অনুসৰি, চেক হৈছে, এক প্ৰকাৰ বিনিময় পত্ৰ যি নেকি কোনো বেংকৰ ওপৰত লিখা হয় আৰু যাক নেকি চাহিদা বাদে অন্য প্ৰকাৰে আদায়যোগ্য বুলি প্ৰকাশ কৰা নাথাকে আৰু ইয়াত এখন চেক বৈদ্যুতিন (electornic) ৰূপত আৰু এখন অঙ্গছেদিত চেকৰ

বৈদ্যুতিন (electornic) ছবি অন্তৰ্ভুক্ত থাকে।”

ব্যৱসায় জগতত চেকৰ গুৰুত্ব অপৰিসীম। বেংকৰ হিচাপৰ ধাৰকসকলে (গ্ৰাহকসকলে) বেংকৰ পৰা ধন উলিয়াবলৈ চেক ব্যৱহাৰ কৰে। তৃতীয় পক্ষক পৰিশোধ কৰিবলৈ ও চেক ব্যৱহাৰ কৰা হয়।

- **চেকৰ বৈশিষ্ট্যসমূহ ঃ** ১। লিখিত দলীল, ২। চৰ্তবিহীন আদেশ, ৩। এটা নিৰ্দিষ্ট বেংকৰ ওপৰত, ৪। চাহিদা অনুযায়ী পৰিশোধযোগ্য, ৫। নিৰ্ধাৰিত পৰিমাণৰ ধন, ৬। প্ৰাপক নিৰ্দিষ্ট হ'ব লাগিব, ৭। লিখকৰ দ্বাৰা স্বাক্ষৰিত, ৮। আদেশমতে বা বাহকক পৰিশোধযোগ্য, ৯। সমৰ্পন।

- **চেকৰ প্ৰকাৰ—**

**চেক সাধাৰণতে দুই প্ৰকাৰৰ ঃ** ১। মুকলি চেক আৰু ২। ৰেখাংকিত চেক।

১। **মুকলি চেক ঃ** মুকলি চেক হৈছে এখন চেক যাক উপস্থাপনৰ দ্বাৰা আৰু বেংকৰ জৰিয়তে বেংকৰ কাউণ্টাৰত নগদীকৰণ কৰিব বা ভঙাব পাৰি। ৰেখাংকন কৰা চেকৰ বাহিৰে আন সকলো চেকক মুকলি চেক বুলি কোৱা হয়।

**মুকলি চেক দুই প্ৰকাৰৰ ঃ** (ক) বাহক চেক আৰু (খ) আদেশী চেক।

(ক) বাহক চেক ঃ বাহক চেক হৈছে এখন চেক যিটো চেকখন হাতত থকা যিকোনো ব্যক্তিক পৰিশোধযোগ্য। চেকৰ বাহকে নিজকে চিনাক্ত নকৰাকৈয়ে ইয়াক বেংকৰ কাউণ্টাৰত নগদীকৰণ কৰিব পাৰে বা ভঙাই ল'ব পাৰে।

(খ) আদেশী চেক ঃ আদেশী চেক হৈছে এখন চেক যি চেকত নাম থকা এজন নিৰ্দিষ্ট ব্যক্তিক বা তেওঁৰ আদেশমতে পৰিশোধ কৰিব লাগিব।

২। **ৰেখাংকিত চেক** ঃ এখন চেকৰ সন্মুখৰ বাওঁফালৰ ওপৰৰ কোণত কোনো শব্দসহ বা শব্দ অবিহনে দুটা সমান্তৰাল অথালি-পথালি ৰেখা টনা থাকিলে বা ইয়াৰ সন্মুখভাগত এটা বেংকৰ নাম লিখা থাকিলে তেনে চেকক ৰেখাংকিত চেক বুলি কোৱা হয়।

——